অসম সাহিত্য সভাৰ নতুন অনুষ্ঠান ‘স্বদেশ-স্বাভিমান’

# একাধিক সামাজিক-অৰ্থনৈতিক দিশ সম্বন্ধে নৱ-প্ৰজন্মৰ সূক্ষ্ম বিশ্লেষণ



(বাঁওপিনৰ পৰা) ময়ুৰ বৰা, শান্তিকাম হাজৰিকা, সভাৰ সভাপতি ড° কুলধৰ শইকীয়া, উপ-সভাপতি মৃণালিনী দেৱী, অৰ্পণা দেৱী আৰু পিছপিনে একেবাৰে সোঁপিনে প্ৰধান সম্পাদক যাদব চন্দ্ৰ শৰ্মাৰ সৈতে যুৱ-প্ৰজন্মৰ বক্তাসকল।

অসম সাহিত্য সভাই ৰাজ্যখনৰ নৱ-প্ৰজন্মক উজ্জীৱিত কৰিবলৈ আৰম্ভ কৰা নতুন অনুষ্ঠান ‘স্বদেশ-স্বাভিমান’ৰ প্ৰথম বৈঠক যোৱা ৭ নবেম্বৰ, ২০২১ খ্ৰীষ্টাব্দ তাৰিখে সভাৰ গুৱাহাটী কাৰ্যালয়ৰ ৰাধাগোবিন্দ বৰুৱা সভাকক্ষত অনুষ্ঠিত হয়। অসমৰ সামাজিক আৰু অৰ্থনৈতিক দিশৰ তাৎপৰ্যপূৰ্ণ সমলসমূহ সম্বন্ধে নিৰ্ধাৰিত সময়ৰ ভিতৰত তৰুণ, প্ৰতিভাশীল যুৱক-যুৱতীয়ে সুদক্ষ বাগ্মীতাৰে ৰাজ্যখনৰ বিভিন্ন ঠাইত আৰু বিশেষকৈ অসমৰ বাহিৰত আকৰ্ষিণীয়ভাৱে উপস্থাপন কৰাটো সুনিশ্চিত কৰিবলৈ সভাই এই নতুন অনুষ্ঠানটিৰ সূচনা কৰিছে। সভাৰ সভাপতি ড° কুলধৰ শইকীয়াৰ সভাপতিত্বত অনুষ্ঠিত এই কাৰ্যসূচীত অসমৰ নৱ প্ৰজন্মৰ সাতগৰাকী প্ৰতিনিধিয়ে ৰাজ্যখনৰ বিভিন্ন বিষয়ৰ ওপৰত বক্তব্য প্ৰদান কৰে। অনুষ্ঠানটিত সমল ব্যক্তিৰূপে উপস্থিত থাকে বিশিষ্ট প্ৰশাসক শান্তিকাম হাজৰিকা, চিন্তাবিদ ড° ময়ূৰ বৰা আৰু শিক্ষয়িত্ৰী অৰ্পণা দেৱী।

সভাৰ প্ৰধান সম্পাদক যাদব চন্দ্ৰ শৰ্মাৰ আদৰণি ভাষণৰ পিছত সভাপতি ড° শইকীয়াই প্ৰাৰম্ভিক ভাষণ প্ৰদান কৰে। অনুষ্ঠানৰ মূল কাৰ্যসূচী অৰ্থাৎ বক্তৃতামালা আৰম্ভ হয় ‘পাহৰণিৰ গৰ্ভত অসমৰ একাধিক লোক-সংস্কৃতিৰ উপাদান’ শীৰ্ষক অঞ্জুমান ভৰদ্বাজৰ বক্তব্যৰে। অন্যান্য বক্তাসকল আৰু বক্তৃতাৰ বিষয় আছিল —উন্মিলন কলিতা (‘বৃট্ৰিছ ঔপনিৱেশিকতাৰ বিৰুদ্ধে অসমৰ বৌদ্ধিক সংগ্ৰাম’), বৰ্ণিল মেধি (‘ভাৰতবৰ্ষ আৰু অসমৰ স্থাপত্য-ভাস্কৰ্যৰ এটি তুলনামূলক বিশ্লেষণ’), সুগন্ধিপ্ৰাপ্তি গগৈ (‘অসমৰ গাঁও-আমাৰ স্বাভিমান’), প্ৰত্যাশীপ্ৰিয়া (‘গোভা ৰজাৰ দিনৰে পৰা অসমত চলি অহা বিনিময় প্ৰথা আৰু ইয়াৰ দ্বাৰা গ্ৰাম্য সমাজৰ আত্মনিৰ্ভৰশীলতা’) আৰু সুদৰ্শন শৰ্মা (‘সংঘাত আৰু সংঘৰ্ষৰ মাজেৰে অসমীয়া সাহিত্য’)। অনুষ্ঠানটিৰ আঁত ধৰে কটন মহাবিদ্যালয়ৰ ছাত্ৰ ত্ৰিদিৱ ভাগৱতীয়ে।

বক্তৃতাসমূহৰ পিছত প্ৰশ্নোত্তৰ শিতানত কেইবাগৰাকী দৰ্শকে উত্থাপন কৰা একাধিক প্ৰশ্নৰ উত্তৰ তথা ব্যাখ্যা আগবঢ়ায় নিৰ্দিষ্ট বক্তাই। ইয়াৰ পিছত তিনিওগৰাকী সমল ব্যক্তি যেনে শান্তিকাম হাজৰিকা, ড° ময়ূৰ বৰা আৰু অৰ্পণা দেৱীয়ে তেওঁলোকৰ বক্তব্যত আটাইকেইগৰাকী বক্তাৰ বাগ্মীতা প্ৰশংসা কৰে আৰু এনে অভিনৱ অনুষ্ঠান আয়োজন কৰাৰ বাবে অসম সাহিত্য সভাৰ শলাগ লয়। সভাৰ আৰম্ভণি গীত ‘চিৰ চেনেহী মোৰ ভাষা জননী...’ পৰিৱেশনেৰে আৰম্ভ হোৱা সভাখনি অসম সংগীত ‘অ’ মোৰ আপোনাৰ দেশ...’ পৰিৱেশনেৰে সমাপ্ত হয়।

উল্লেখযোগ্য যে অসমৰ নৱ প্ৰজন্মৰ বলিষ্ঠ আৰু সংবেদনশীল চিন্তা-চেতনাক অসম সাহিত্য সভাই সদায় গুৰুত্ব দি আহিছে। ইতিমধ্যে ৰাজ্যখনৰ নৱ প্ৰজন্মৰ এচাম প্ৰতিনিধিক লৈ সভাই কেইবাটাও অনুষ্ঠানৰ আয়োজন কৰিছে আৰু ইয়াৰ ভিতৰত তৰুণ ব্যৱসায়ী-উদ্যোগীসকলৰ সৈতে যোৱাবেলি গুৱাহাটী গ্ৰন্থমেলা প্ৰাংগণত অনুষ্ঠিত অন্তৰংগ আলাপ অন্যতম।

০-০-০-০